# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
**0000000000**

**Date :** 16-03-2025
**Time :** 13-40 hrs

ASSAMESE MIDDAY BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১।   প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লাক্সনৰ সৈতে ৰাইছিনা আলোচনা ২০২৫ উদ্বোধন কৰিব।

২।   নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লাক্সন ৫ দিনীয়া ভ্ৰমণসূচীৰে আজি ভাৰতলৈ আহিব।

৩।   সন্ত্ৰাসবাদ বিৰোধী বিষয়সমূহৰ সন্দৰ্ভত আছিয়ান দেশসমূহৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ প্লাছ বিশেষজ্ঞ কাৰ্যকৰী গোটৰ চতুৰ্দশ বৈঠক অহা ১৯ আৰু ২০ মাৰ্চত নতুন দিল্লীত অনুষ্ঠিত হ'ব।

৪।   সমগ্ৰ দেশতে আজি ৰাষ্ট্ৰীয় প্ৰতিষেধক দিৱস পালন কৰা হৈছে।   ***আৰু***

৫।   প্ৰসাৰ ভাৰতীক হকী ইণ্ডিয়া জামানলাল শৰ্মা বঁটা ২০২৪ ৰে সন্মানিত কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লাক্সনৰ সৈতে ৰাইছিনা আলোচনা ২০২৫ উদ্বোধন কৰিব। ৰাইচিনা আলোচনাৰ দশম সংস্কৰণ কাইলৈৰ পৰা অহা ১৯ মাৰ্চলৈ অনুষ্ঠিত হ'ব। এই আলোচনা হৈছে ভূ-ৰাজনৈতিক আৰু ভূ-অৰ্থনৈতিক বিষয়সমূহৰ লগতে গোলকীয় সম্প্ৰদায়ে সন্মুখীন হৈ অহা প্ৰত্যাহ্বানসমূহৰ বিষয়ে আলোচনাৰ মঞ্চ প্ৰদানৰ ভাৰতৰ এখন অনন্য আগশাৰীৰ সন্মিলন। বিশ্বই সন্মুখীন হৈ অহা বিভিন্ন সমস্যা সমাধানৰ উপায়ৰ লগতে সমসাময়িক বিষয়সমূহৰ ক্ষেত্ৰত সহযোগিতাৰ অন্বেষণ কৰাৰ উদ্দেশ্যে প্ৰতিবছৰে  ৰাজনৈতিক, উদ্যোগিক, সংবাদ মাধ্যম তথা অসামৰিক সংস্থাসমূহৰ নেতাসকল আলোচনাত মিলিত হৈ আহিছে।

০০০০০০

নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰী ক্ৰিষ্ট'ফাৰ লাক্সন ৫ দিনীয়া ভ্ৰমণসূচীৰে আজি ভাৰতলৈ আহিব। তেওঁৰ সৈতে দেশখনৰ কেইবাগৰাকীও মন্ত্ৰী, জ্যেষ্ঠ বিষয়া, উদ্যোগপতি আৰু ভাৰতীয় সম্প্ৰদায়ৰ সদস্যকে  ধৰি এটা উচ্চস্তৰীয় প্ৰতিনিধি দলো ভাৰতলৈ আহিব।

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এখন বিজ্ঞপ্তিত এইবুলি কৈছে, যে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে আলোচনাত মিলিত হ'ব। দুয়োগৰাকী নেতাই  দেশ দুখনৰ মাজৰ সম্পৰ্কৰ বিভিন্ন দিশ সামৰি আলোচনা কৰিব।  শ্ৰীলাক্সনে দশম ৰাইচিনা আলোচনা ২০২৫ ৰ উদ্বোধনী সত্ৰত মুখ্য অতিথি হিচাপে উপস্থিত থাকি মূল ভাষণ প্ৰদান কৰিব। তেওঁ লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো সাক্ষাৎ কৰিব।

শ্ৰীলাক্সনে মুম্বাইলৈ যাব আৰু তাত তেওঁ উদ্যোগ জগতৰ নেতাসকলৰ সৈতে বৈঠকত মিলিত হ'ব। দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক সুদৃঢ় কৰা আৰু সকলোবোৰ খণ্ডতে দুয়োখন দেশৰ মাজৰ সম্বন্ধ তথা জনসাধাৰণৰ মাজৰ সম্পৰ্ক শক্তিশালী কৰাৰ প্ৰতিশ্ৰুতিবদ্ধতা সন্দৰ্ভত গুৰুত্ব আৰোপ কৰাই হৈছে নিউজিলেণ্ডৰ প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণৰ উদ্দেশ্য।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি অসমৰ কোকৰাঝাৰৰ দোতমাত নিখিল বড়ো ছাত্ৰ সন্থাৰ ৫৭ সংখ্যক বাৰ্ষিক অধিৱেশনত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কালি দেৰগাঁৱত নতুন ৰূপত সজাই তোলা অত্যাধুনিক লাচিত বৰফুকন পুলিচ একাডেমী মুকলি কৰাৰ লগতে একাডেমীৰ আৱাসগৃহ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। এই উপলক্ষে আয়োজিত জনসভাত ভাষণ দি তেওঁ কয়, যে অসম দ্ৰুত গতিত বিকাশৰ দিশে অগ্ৰসৰ হৈছে আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ৰাজ্যখনলৈ শান্তি ঘূৰি আহিছে।

ooooo

সন্ত্ৰাসবাদ বিৰোধী বিষয়সমূহৰ সন্দৰ্ভত আছিয়ান দেশসমূহৰ প্ৰতিৰক্ষা মন্ত্ৰীসকলৰ প্লাছ্ বিশেষজ্ঞ কাৰ্যকৰী গোটৰ চতুৰ্দশ বৈঠক  অহা ১৯ আৰু ২০ মাৰ্চত নতুন দিল্লীত অনুষ্ঠিত হ'ব। ভাৰত আৰু মালয়েছিয়াই দুদিনীয়া এই বৈঠকৰ সহ অধ্যক্ষতা কৰিব। বৈঠকৰ সময়ত সন্ত্ৰাসবাদ আৰু উগ্ৰবাদৰ ভাবুকি তথা বৰ্ধিত সমস্যাৰ সৈতে যুঁজ দিয়াৰ বাবে প্ৰস্তুত কৰা শক্তিশালী আৰু ব্যাপক ৰণনীতি সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হ'ব। আছিয়ান ৰাষ্ট্ৰসমূহৰ প্ৰতিৰক্ষা বাহিনী আৰু ইয়াৰ আলোচনাৰ অংশীদাৰসকলৰ অভিজ্ঞতাসমূহ আদান প্ৰদানেই হৈছে এই বৈঠকৰ উদ্দেশ্য। ব্ৰুনেই, কম্বোদিয়া, ইন্দোনেছিয়া, লাও পি ডি আৰ, মালয়েছিয়া, ম্যানমাৰ, ফিলিপিনছ, ভিয়েটনাম, ছিংগাপুৰ আৰু থাইলেণ্ড আদি ১০ খন আছিয়ান সদস্য ৰাষ্ট্ৰৰ প্ৰতিনিধিয়ে ইয়াত অংশগ্ৰহণ কৰিব। ইয়াৰ লগতে অষ্ট্ৰেলিয়া, নিউজিলেণ্ড, কোৰিয়া গণৰাজ্য, জাপান, চীন, আমেৰিকা, ৰাছিয়াকে ধৰি আলোচনাৰ আঠখন অংশীদাৰি দেশ তথা টিম'ৰলেষ্টে আৰু আছিয়ান সচিবালয়েও এই বৈঠকত ভাগ লব। বৈঠকৰ উদ্বোধনী কাৰ্যসূচীত প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিঙে মূল ভাষণ প্ৰদান কৰিব।

ooooo

মহাৰাষ্ট্ৰ বিধান পৰিষদৰ ৫ খন আসনৰ বাবে অহা ২৭ মাৰ্চত হবলগীয়া উপ নিৰ্বাচনৰ বাবে বিজেপিয়ে ৩ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। দলে নাগপুৰৰ প্ৰাক্তন মেয়ৰ সন্দীপ দিৱাকাৰাও যোশীৰ লগতে ৰাজ্যিক বিজেপি গোটৰ সাধাৰণ সম্পাদক সঞ্জয় কৃষ্ণৰাও কেনেকাৰ আৰু প্ৰাক্তন বিধায়ক দাদাৰাও য়াদৱৰাওক প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। উল্লেখযোগ্য যে যোৱা বছৰৰ নৱেম্বৰত হোৱা বিধানসভা নিৰ্বাচনত বৰ্তমানৰ বিধান পৰিষদৰ ৫ গৰাকী সদস্য জয়ী হোৱাৰ পৰিপ্ৰেক্ষিতত এই উপ নিৰ্বাচনৰ প্ৰয়োজন আহি পৰিছে। এই নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ কাইলৈ অন্তিম দিন। পৰহিলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ২০ মাৰ্চ পৰ্যন্ত প্ৰাৰ্থীসকলে তেওঁলোকৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। ২৭ মাৰ্চত নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু সেইদিনাই ফলাফলো ঘোষণা কৰা হ'ব।

ooooo

সমগ্ৰ দেশতে আজি ৰাষ্ট্ৰীয় প্ৰতিষেধক দিৱস পালন কৰা হৈছে। টীকাকৰণৰ প্ৰয়োজন সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে প্ৰতিবছৰে ১৬ মাৰ্চৰ দিনটোত এই দিৱস পালন কৰি অহা হৈছে। সামাজিক মাধ্যমযোগে স্বাস্থ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুসৰি দেশৰ প্ৰতিটো শিশুকে সুৰক্ষা দিয়াৰ লক্ষ্যত উপনীত হোৱাৰ বাবে টীকাকৰণ হৈছে মূল চালিকা শক্তি। ৰাজ্য চৰকাৰসমূহৰ লগতে উৎসৰ্গিকৃত আগশাৰীৰ স্বাস্থ্যকৰ্মীসকলৰ সহযোগত দেশৰ শিশুসকলৰ ৰোগ প্ৰতিৰোধ ক্ষমতা শক্তিশালী কৰাৰ বাবে স্বাস্থ্য মন্ত্ৰালয় বদ্ধপৰিকৰ বুলিও পোষ্টটোত প্ৰকাশ কৰা হৈছে। উল্লেখযোগ্য যে শিশুসকলক সম্পূৰ্ণ টীকাকৰণেৰে সামৰি লোৱাৰ উদ্দেশ্যে ২০১৪ চনত মিছন ইন্দ্ৰধনুশৰ শুভাৰম্ভ কৰা হৈছিল। শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰাৰ লগতে ক্ষীপ্ৰ গতিত শিশুসকলক সকলো ধৰণৰ টীকাকৰণেৰে সামৰি লোৱাটোৰেই এই পদক্ষেপৰ মূল উদ্দেশ্য আছিল।

ooooo

ওড়িয়া সাহিত্যৰ প্ৰখ্যাত আধুনিক কবি, পদ্মভূষণ সন্মানেৰে সন্মানিত ৰমাকান্ত ৰথৰ আজি পুৱা ভূৱনেশ্বৰত দেহাৱসান হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৯১ বছৰ। তেওঁৰ মৃত্যুত উড়িয়া সাহিত্যৰ এটা যুগৰ অৱসান ঘটিল। ১৯৫৭ বৰ্ষৰ এগৰাকী ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া ৰমাকান্ত ৰথে ওড়িশাৰ মুখ্য সচিব হিচাপেও কাৰ্যনিৰ্বাহ কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ কেইবাটাও গুৰুত্বপূৰ্ণ স্থানত সেৱা আগবঢ়াইছিল। তেওঁৰ সাহিত্য কৰ্মৰাজি ইংৰাজীৰ লগতে আন কেইবাটাও ভাৰতীয় ভাষালৈ অনুবাদ কৰা হৈছে। সাহিত্য জগতলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ স্বীকৃতিস্বৰূপে ২০০৬ চনত তেওঁক তৃতীয় সৰ্বোচ্চ অসামৰিক সন্মান পদ্মভূষণেৰে সন্মানিত কৰা হৈছিল। ইয়াৰ উপৰি আন বহুতো সাহিত্য সন্মানেৰে সন্মানিত ৰমাকান্ত ৰথে ১৯৯৮ চনৰ পৰা ২০০৩ চনলৈ সাহিত্য একাডেমীৰ সভাপতি হিচাপে সেৱা আগবঢ়াইছিল। কাইলৈ পুৰীৰ স্বৰ্গদুৱাৰত শেষকৃত্য সম্পন্ন কৰা হ'ব।

ওড়িশাৰ মুখ্যমন্ত্ৰী মোহন চৰণ মাঝিয়ে ৰমাকান্ত ৰথৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত শ্ৰীমাঝিয়ে কয় যে ৰমাকান্ত ৰথৰ সাহিত্য সৃষ্টিয়ে উড়িয়া সাহিত্যক ৰাষ্ট্ৰীয় তথা আন্তৰাষ্ট্ৰীয় পৰ্যায়ত এটা নতুন পৰিচয় গঢ় দিবলৈ সমৰ্থ হৈছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ মাৰ্চত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১২০ সংখ্যক খণ্ড। প্ৰধানমন্ত্ৰীয়ে মন কী বাতৰ আসন্ন খণ্ডটিৰ বাবে জনসাধাৰণৰ দিহা-পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০ ১১ ৭৮০০ শুল্ক বিহীন নম্বৰত ফোন কৰি এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ  প্ৰেৰণ কৰিব পাৰিব। তেওঁলোকে নমো এপ নাইবা মাই গ'ভ মুকলি মঞ্চৰ জৰিয়তেও জনসাধাৰণে দিহা-পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। মন কী বাতৰ এই খণ্ডটিৰ বাবে ২৮ মাৰ্চলৈ প্ৰেৰণ কৰা দিহা-পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ বাতৰি বিভাগৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

প্ৰসাৰ ভাৰতীক কালি নতুন দিল্লীত অনুষ্ঠিত হকী ইণ্ডিয়া সপ্তম বাৰ্ষিক বঁটা ২০২৪ ৰ হকী ইণ্ডিয়া জামানলাল শৰ্মা বঁটা ২০২৪ ৰে সন্মানিত কৰা হৈছে। সমগ্ৰ দেশতে হকীৰ প্ৰচাৰ আৰু সম্প্ৰচাৰৰ  ক্ষেত্ৰত প্ৰসাৰ ভাৰতীৰ অক্লান্ত প্ৰচেষ্টাক সন্মান জনাই এই বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত হকী ইণ্ডিয়াই ১৯৭৫ চনৰ বিশ্বকাপৰ বিজয়ী সদস্যসকলক সম্বৰ্ধনা জনোৱাৰ লগতে হকী ইণ্ডিয়াৰ মেজৰ ধ্যানচন্দ জীৱনযোৰা সাধনা বঁটা আৰু নগদ ৫০ লাখ টকাৰ পুৰস্কাৰ প্ৰদান কৰে। সবিতা পুনিয়া আৰু হৰমন প্ৰীত সিঙে মহিলা আৰু পুৰুষৰ শাখাত ২০২৪ বৰ্ষৰ হকী ইণ্ডিয়া বলবীৰ সিং ছিনিয়ৰ বঁটাৰে  শ্ৰেষ্ঠ খেলুৱৈৰ শীৰ্ষ সন্মানেৰে সন্মানিত হয়। ইফালে যোৱা বছৰ আন্তৰাষ্ট্ৰীয় হকীৰ পৰা অৱসৰ লোৱা পি আৰ শ্ৰীজেছে এফ আই এইচৰ শ্ৰেষ্ঠ পুৰুষ গলৰক্ষকৰ বঁটা লাভ কৰে। তৃণমূল পৰ্যায়ৰ উন্নয়নৰ প্ৰতি লক্ষ্য ৰাখি ৮ খন ৰাজ্যক এই ক্ষেত্ৰলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে স্বীকৃতি দিয়া হয়। তামিলনাডুৰ হকী শাখাই নিজৰ অগ্ৰনি তামিলনাডু স্কুল হকী লীগৰ বাবে বছৰৰ শ্ৰেষ্ঠ সদস্য শাখাৰ বঁটা লাভ কৰিবলৈ সমৰ্থ হয়।

০০০০০

সমাপ্ত